# BULLETIN PART II

NO. **ALA BLTN (PART II) 2022/2023/43**

February 21, 2024 **৮ ফাগুন, ১৪৩০ভাস্কৰাব্দ**

**INFORMATION RELATING TO THE BUDGET SESSION 2024**

**ASSAM LEGISLATIVE ASSEMBLY SECRETARIAT**
**DISPUR, GUWAHATI-781006**

# BULLETIN PART -II

## (Table Office Branch)

**Private Members Resolutions for 23rd February, 2024**
**of the Assam Legislative Assembly**

**(As per Ballot priority)**

| Name of Members | Subject |
|---|---|
| 1) Shri Rekibuddin Ahmed : | **"অসমৰ বাবে গৌৰৱৰ কথা যে যি সময়ত দেশৰ বিভিন্ন ৰাজ্যৰ পৰা হাড়গিলা (Greater Adjutant) আৰু বৰটোকোলা (Lesser Adjutant) আৰু শগুণ(Vulture) ৰ বিলুপ্ত ঘটিছে, সেই সময়ত অসমত কিন্তু এই পক্ষী তিনি বিধৰ অৱস্থিতি আছে। কিন্তু অসমত এতিয়া হাড়গিলা আৰু বৰটোকোলা তথা শগুনৰ প্ৰতি শেহতীয়াকৈ আহিছে ভয়ংকৰ ভাবুকি। ৰাজ্যত লাহে লাহে জলাশয়ৰ পৰিসৰ হ্ৰাস পাবলৈ ধৰিছে। জলবায়ু পৰিৱৰ্তনৰ বাবে ৰাজ্যৰ জলাশয় সমূহৰ জলস্তৰ হ্ৰাস পাইছে। এনে পৰিস্থিতিত হাড়গিলা, শগুণ আৰু বৰটোকোলাৰ অস্তিত্ব এতিয়া বিপন্ন হৈছে। খাদ্য আৰু বাসস্থানৰ অভাৱত অসমৰ পৰাও হাড়গিলা, শগুণ আৰু বৰটোকোলা এটা সময়ত নোহোৱা হৈ যোৱাৰ আশংকা কৰা হৈছে। হাড়গিলা, শগুণ আৰু বৰটোকোলাই প্ৰাকৃতিক ভাৰসাম্যতা বৰ্তাই ৰাখে। গতিকে অতি সুন্দৰ, দুষ্প্ৰাপ্য এই পক্ষী তিনিবিধ অসমৰ পৰা বিলুপ্তি ঘটাৰ পূৰ্বে বিজ্ঞানসন্মত উপায়েৰে সংৰক্ষণ কৰিব লাগে বুলি বিধান সভাত সৰ্ব সন্মতি ক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হওক"।** |
| 2) Shri Sherman Ali Ahmed : | "২০০১-০২চনতে ১০,৭৫,৫০৫ টকাত চৰকাৰীভাৱে আৱণ্টন হোৱা বাঘবৰ গৰু বজাৰখন ২০২১-২২ লৈ যোৱা ২০ বছৰে চৰকাৰীভাৱে আৱন্টন নোহোৱাত কেইবা কোটি টকাৰ ৰাজহ লোকচান হয়। কিছু বিষয়াৰ সহযোগত এটা দুষ্ট চক্ৰই যোৱা ২০ বছৰে উক্ত গৰু বজাৰখন ব্যক্তিগতভাৱে পৰিচালনা কৰি কোটিকোটি টকাৰ ৰাজহ আত্মসাৎ কৰে। ২০২২-২৩ বৰ্ষৰ পৰা মন্দিয়া আঞ্চলিক পঞ্চায়তে উক্ত গৰু বজাৰখন দান আৰু ক্ৰয়ৰ যোগেদি আহৰণ কৰা মাটিত নতুনকৈ "সেওঁৰাৰ ভিটা জনপ্ৰিয় আঞ্চলিক গৰুৰ বজাৰ" আৰম্ভ কৰে যদিওঁ সংশোধিত পঞ্চায়ত আইনৰ ১০৭ ধাৰা উলংঘা কৰি আৰু Cattle Preservation Act মতে অনুজ্ঞাপত্ৰ (License) নোহোৱাকৈ বা পঞ্জীয়ন (Registration) নকৰাকৈ বেআইনীভাৱে ওচৰতে থকা পুৰনা ব্যক্তিগত গৰু বজাৰখন চলাই থকা বাবে চৰকাৰী গৰু বজাৰখন যথেষ্ট লোকচানৰ সন্মুখীন হয়। বহুবাৰ আবেদন নিবেদন কৰাৰ পিছতো ব্যক্তিগত গৰু বজাৰখন বন্ধ কৰাৰ ক্ষেত্ৰত জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ নিৰ্লিপ্ততা লক্ষনীয়।<br><br>আনকি আঞ্চলিক পঞ্চায়তে গৰুৰ বজাৰৰ নামত ক্ৰয় কৰা মাটিৰ বিক্ৰী অনুমতি যোৱা প্ৰায় এবছৰে বিভিন্ন অজুহাতত জিলা প্ৰশাসনে বন্ধ কৰি ৰখাত জিলা প্ৰশাসনৰ ভূমিকাৰ ক্ষেত্ৰতো প্ৰশ্নৰ উদ্বেক কৰে।<br><br>জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনক প্ৰশ্ন কৰ্তাই লিখিত আৰু মৌখিকভাৱে বহুবাৰ অনুৰোধ কৰাৰ পিছতো আজিকোপতি কোনো ফলপ্ৰসূ ব্যৱস্থা লোৱা নহ'ল। বিভিন্ন সময়ত পবিত্ৰ সদনত বিভিন্ন প্ৰশ্নৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰী মহোদয়ে সদনত দিয়া আশ্বাসো অসাৰ প্ৰতিপন্ন হোৱাৰ উপক্ৰম হৈছে।<br><br>সেয়েহে যোৱা ২০ বছৰৰ দৰেই অনাগত দিনতো উক্ত গৰু বজাৰৰ ক্ষেত্ৰত কোটি কোটি টকা ৰাজহ লোকচানৰ সম্ভাৱনাই দেখা দিছে।<br><br>সেয়েহে আজি সদনত প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে উক্ত ব্যক্তিগত খণ্ডত বেআইনী ভাৱে চলাই থকা বাঘবৰ গৰু বজাৰখন তৎকালীন ভাৱে বন্ধ কৰা হওঁক।" |

3) Shri Akhil Gogoi : “জলসিঞ্চনৰ অভাৱত অসমৰ বহু কৃষিভূমিত এতিয়াও বছৰত কেৱল এবাৰ খেতি কৰি অৱশিষ্ট সময় খিনিৰ বাবে পথাৰবোৰ পেলাই থোৱা হয়। কেৱল প্ৰাকৃতিক বৰষুণৰ ওপৰতে নিৰ্ভৰ কৰি ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক কৃষকে এতিয়াও কৃষিভূমিত খেতি কৰে । কিন্তু কেতিয়াবা অতিবৃষ্টি অথবা বানপানী আৰু কেতিয়াবা অনাবৃষ্টি অথবা খৰাঙৰ বাবে কোনো কোনো কৃষিভূমিত বছৰত এবাৰো খেতি কৰাটো সম্ভৱ হৈ নুঠে। ফলত ৰাজ্যখনত কৃষিৰ উৎপাদনশীলতা আশা কৰা ধৰণৰ নহয়। ২১ শতিকাৰ আধুনিক যুগতো আমাৰ ৰাজ্যখনত কেতিয়াবা কেতিয়াবা বৰষুণ বিচাৰি কৃষকে অন্ধবিশ্বাসৰ বলি হৈ ভেকুলীৰ বিয়া পাতে। ৰাজ্যখনৰ সকলো কৃষিভূমিতে জলসিঞ্চনৰ ব্যৱস্থা কৰি প্ৰাকৃতিক বৰষুণৰ ওপৰত কৃষকসকলৰ নিৰ্ভৰতা নাইকিয়া কৰিবলৈ, বছৰটোৰ সকলো সময়তে পথাৰত খেতি কৰিব পৰাকৈ ৰাজ্যখনৰ কৃষকসকলক প্ৰস্তুত কৰিবলৈ আৰু সকলো সময়তে পথাৰত পানী যোগান ধৰি অসমক বছৰটোৰ বাৰ মাহে খেতি কৰা ৰাজ্যৰূপে গঢ়ি তুলিবলৈ অসম বিধান সভাত প্ৰস্তাৱ গ্ৰহণ কৰো আহক”।

4) Shri Diganta Barman : “অসমত বৰ্তমান প্ৰায় ২১ লাখ পঞ্জীভুক্ত নিৰনুৱা আৰু অ-পঞ্জীভুক্ত কেইবা লাখো নিৰনুৱা আছে। অষ্টম শ্ৰেণী উৰ্ত্তীৰ্ণৰ পৰা স্নাতকোত্তৰ পৰ্য্যন্ত উৰ্ত্তীৰ্ণ পঞ্জীভুক্ত নিৰনুৱা যুৱক-যুৱতী সকলে চৰকাৰী চাকৰি পোৱাৰ আশাৰে বিজ্ঞাপন অনুসৰি আবেদন পত্ৰ দাখিল কৰে। ইয়াৰে কিছু সংখ্যকে লিখিত ও মৌখিক পৰীক্ষাত অৱতীৰ্ণ হৈ কৃতকাৰ্য্যতা লাভ কৰে আৰু কিছু গৰিষ্ঠ সংখ্যকে চাকৰি লাভ নকৰি পুনৰ বিজ্ঞাপন অনুসৰি আকৌ আবেদন কৰিব লগীয়া হয়। এনেদৰে বহুতো নিৰনুৱা যুৱক-যুৱতীয়ে কেইবা বাৰো বিজ্ঞাপন অনুসৰি আৱেদন কৰি থাকিব লাগে। এই ক্ষেত্ৰত তেওঁলোকৰ যথেষ্ট অৰ্থৰ প্ৰয়োজন হয়। তাৰোপৰি বহুতো পৰিয়ালৰ আৰ্থিক অৱস্থাওঁ ভাল নহয়। বহুতো নিৰনুৱা যুৱক-যুৱতীয়ে আৰ্থিক দৈন্যতাৰ বাবে বিজ্ঞাপন পালেও আবেদন কৰিবলৈ অসমৰ্থ হয়। তাৰোপৰি তেওঁলোকে পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে প্ৰস্তুতি কৰিব লাগে। সেয়েহে নিৰনুৱা যুৱক-যুৱতী সকলৰ অন্যান্য খা-খৰছৰ বাবে তেওঁলোকক যোগ্যতা অনুযায়ী নিৰনুৱা ভাট্টা দিয়াৰ বাবে অসম বিধান সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক।”

5) Shri Debabrata Saikia : “যি সময়ত কেন্দ্ৰীয় চৰকাৰে ইঞ্জিনিয়াৰিং আৰু মেডিকেলৰ পাঠ্যক্ৰমৰ মাধ্যম মাতৃভাষা কৰাৰ চিন্তা কৰিছে, সেই সময়ত অসমত গণিত আৰু বিজ্ঞানৰ পাঠ্যক্ৰম ষষ্ঠ শ্ৰেণীৰ পৰা ইংৰাজীত কৰাটো অত্যান্ত দুৰ্ভাগ্যজনক । আজি এই পবিত্ৰ অসম বিধান সভাত সৰ্বসন্মতিৰে প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক যে, যি সকলে ইংৰাজী মাধ্যমত পঢ়িব বিচাৰে তেওঁলোকক ইংৰাজীত পঢ়িবলৈ দিব লাগে আৰু যি সকলে মাতৃভাষা মাধ্যমত পঢ়িব বিচাৰে তেওঁলোকক মাতৃভাষাতে পঢ়িব দিব লাগে”।

6) Shri Aminul Islam (Jr) : “ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভূমিহীন মানুহে **চৰকাৰী ভূমি,** বনভূমি আৰু অন্যান্য চৰকাৰী ভূমিত বসবাস কৰা দেখা যায়। চৰকাৰে সময়ে-সময়ে এনে লোকক কোনো ধৰণৰ বাছ-বিচাৰ নকৰাকৈ উচ্ছেদ কৰি দিয়া পৰিলক্ষিত হৈছে। ইয়াৰ ফলত মানৱীয়তা ভুলণ্ঠিত হোৱাৰ লগতে চৰকাৰৰ নিৰ্দয় চৰিত্ৰ প্ৰকাশ পায়। ৰাজ্যৰ প্ৰকৃত ভূমিহীন মানুহক যদিও ভূমি প্ৰদানৰ প্ৰক্ৰিয়া চলি আছে সেই সময়তো অজস্ৰ মানুহে এই লাভ পোৱাৰ পৰা বঞ্চিত হৈছে। শীতৰ সময়ত হৈ থকা বিভিন্ন ঠাইৰ উচ্ছেদৰ ফলত অঘৰী ভাৱে জীৱন কটাব লগা হোৱা বাবে বিভিন্ন ঠাইত শিশু-বৃদ্ধৰ মৃত্যু হোৱাৰ খবৰো বিভিন্ন মাধ্যমত প্ৰকাশ পাই আছে। এনে প্ৰেক্ষাপটত ভূমিহীন মানুহক নূন্যতম প্ৰয়োজনীয় ভূমি এডৰা প্ৰদান আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত একোখনকৈ গৃহ দি হ'লেও এনে সমস্যা দীৰ্ঘদিনৰ বাবে সমাধান কৰা হওঁক ।”

7) Shri Zakir Hussain Sikdar : “অসম এখন কৃষি প্ৰধান ৰাজ্য। বৰ্তমান অসমৰ ভৌগলিক মাটিকালিৰ প্ৰায় ৫৪.১১ শতাংশ অংশ কৃষিভূমিৰ অন্তৰ্গত আৰু জনসংখ্যাৰ প্ৰায় ৭০ শতাংশ লোক কৃষিকৰ্মৰ লগত জড়িত। প্ৰত্যেক বছৰে বানপানীৰ কৱলত পৰি ৰাজ্যত ক্ৰমাত হ্ৰাস পাইছে কৃষি ভূমি। অসম যিহেতু বানপানীপ্ৰৱণ ৰাজ্য তথা প্ৰতি বছৰ বানপানীয়ে বুজন পৰিমাণৰ কৃষিভূমি নষ্ট কৰে। যাৰ বাবে কৃষক সকলে মূৰে কপালে হাত দিব লগীয়া হয় আৰু বছৰি বছৰি কৃষক সকলৰ ঋণৰ বোজা বৃদ্ধি পায়। কেতিয়াবা যদি খৰাং বতৰে কৃষকক ক্ষতি কৰে, কেতিয়াবা পোক পৰুৱাই ও কৃষক সকলক অনিষ্ট সাধন কৰে। চৰকাৰৰ ফালৰ পৰা বিভিন্ন আঁচনিৰ জৰিয়তে কৃষক সকলক সময়ে সময়ে সহায়ৰ হাত আগবঢ়ালেও বহু প্ৰকৃত কৃষক আঁচনি সমূহৰ পৰা বঞ্চিত হয়। অসমৰ ভূমিক শস্য শ্যামলা কৰি, মূৰৰ ঘাম মাটিত পেলাই ৰদ বৰষুণত তিতি

বুৰি পুৰি আমাৰ সকলোৰে বাবে বছৰৰ পিছত বছৰ কষ্ট কৰি কৃষক সকল উৎপাদন কাৰ্য্যত লাগি থাকে। অতি কষ্ট কৰাৰ কাৰণে কম বয়সতে বিভিন্ন বেমাৰ আজাৰত আক্ৰান্ত হৈ বাৰ্ধক্য নামি আহে। সমাজৰ আন আন খণ্ডৰ মানুহক যি ধৰণে সন্মান আৰু গুৰুত্ব প্ৰদান কৰা হয়, সেই ধৰণে খাটি খোৱা কৃষক সকল বঞ্চিত হয়। এই কৃষক সকলবেছি ভাগেই দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰি জীৱন যাপন কৰে। এটা সময় আহে যেতিয়া বয়স বাঢ়ি গৈ থাকে নাঙলৰ মুঠিত ধৰাৰো শক্তি নাথাকে কৃষক সকলৰ। যাৰ বাবে ৫৫-৬০ বছৰৰ পৰা কৃষিকৰ্মত নিজকে **জড়িত** কৰিব নোৱাৰে। উপাৰ্জন কৰিব নোৱাৰাৰ বাবে কৃষকসকলৰ জীৱনলৈ নামি আহেঘোৰ অমানিশা। গণতন্ত্ৰ দেশৰ নিৰ্বাচিত চৰকাৰ খনৰ এই খাটি খোৱা কৃষক সকলৰ ওচৰত থাকি সহায়ৰ হাত আগবঢ়োৱাটো দায়িত্ব আৰু কৰ্ত্তব্য। যাৰ বাবে আজিৰ সভাই প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে যে "অসমৰ ৬০ বছৰৰ উৰ্দ্ধৰ সকলো কৃষকক পেঞ্চন দিয়া হওক ।"

8) Shri Ashraful Hussain: **"ৰাজ্যৰ মাজেৰে বৈ গৈছে সুবিশাল ব্ৰহ্মপুত্ৰ নদী, এই নৈয়ে ভৌগলিক ভাৱে বিচ্ছিন্নতাৰ সৃষ্টি কৰাৰ লগতে পথ যাতায়তৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টিও কৰিছে। দেখা গৈছে যে ৰাজ্যত ব্ৰহ্মপুত্ৰৰ ওপৰত কেইবাখনো দলং নিৰ্মান কৰা হৈছে আৰু একাধিক দলং নিৰ্মীয়মান অৱস্থাত আছে। নামনি অসমৰ জালুকবাৰী-আমিন গাঁওত এখন দলং থকাৰ সমান্তৰালভাৱে গোৱালপাৰা আৰু বঙাইগাঁও জিলাৰ সীমাত পঞ্চৰত্ন দলংখন আছে, ইয়াৰ মাজত কামৰূপ জিলা আৰু বৰপেটা জিলা সংলগ্নকাৰী এখন দলং খুবেই প্ৰয়োজন যদিও বৰ্তমানলৈ চৰকাৰে এতিয়ালৈ তেনে পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই। অন্যহাতে বৰপেটা জিলাখনৰ কেইবাখনো গাঁও পঞ্চায়ত নদীৰ দক্ষিণ পাৰত থকা বাবেও যাতায়তৰ সু-ব্যৱস্থা নথকা হেতুকে প্ৰশাসনিক কাম-কাজৰ ক্ষেত্ৰতো অসুবিধাৰ সন্মুখীন হোৱাটো তেনেই স্বাভাৱিক। ব্ৰহ্মপুত্ৰৰ ওপৰত বৰপেটা জিলাত এখন এনে দলঙৰ ব্যৱস্থা কৰিলে কামৰূপ জিলাৰ সৈতে বৰপেটা চহৰৰ মূল যাতায়ত যথেষ্ট চমু হোৱাৰ লগতে গোৱালপাৰা জিলা আৰু নিকটৱৰ্তী মেঘালয় ৰাজ্যৰ সৈতেও যাতায়ত ব্যৱস্থা খোলা হৈ গলে নতুন অৰ্থনৈতিক দিগন্ত সূচনা হোৱাটো নিশ্চিত। গতিকে এই সদনে বৰপেটা জিলাৰ ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং নিৰ্মানৰ প্ৰস্তাৱ লোৱা হওঁক।"**

9) Shri Abdul Batin Khandakar : "অসমত উচ্চ **সদন** গঠন কৰা সন্দৰ্ভত ত্ৰয়োদশ অসম বিধান সভাই পাৰিত কৰা প্ৰস্তাৱত সংশ্লিষ্ট কতৃপক্ষৰ অনুমোদন লাভ কৰাৰ বাবে বৰ্তমান বিধান সভাৰ সৰ্বদলীয় গোট গঠন কৰি এই সৰ্বদলীয় গোটৰ জৰিয়তে সংশ্লিষ্ট কতৃপক্ষৰ লগত আলোচনাৰে অনুমোদনৰ ব্যৱস্থা কৰা হওঁক তথা উক্ত অনুমোদিত প্ৰস্তাৱ ৰূপায়ন কৰি প্ৰতিনিধিত্ববিহীন বা কমকৈ প্ৰতিনিধিত্ব হোৱা জনগোষ্ঠীসমূহক উচ্চ সদনত স্থান দি আইন প্ৰণয়ন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ সুবিধা প্ৰদান কৰা হওক।"

Hemen

**(Hemen Das)**
**Principal Secretary,**
**Assam Legislative Assembly**

***********